समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation








দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ৫

ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য

অংশ – ৯

অনামিকা দাস

৬। 'অসমত আৰ্য-অনাৰ্য সকলোৰে সমন্বিত অৱদানেৰে এক সংমিশ্রিত সংস্কৃতিৰ উৎপত্তি হৈছে'-এই প্রসংগটো চমুকৈ আলোচনা কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ব্ৰহ্মপুত্ৰ উপত্যকা এক সাৰুৱা কৃষিভূমি আৰু প্ৰকৃতিক সম্পদত চহকী অঞ্চল। চীন দেশৰ পৰা ৰোমান সাম্ৰাজ্যলৈ যোৱা মহাৰেচমী পথৰ এটা শাখা অসম হৈ আগবাঢ়িছিল। তদুপৰি অসমৰ প্ৰাকৃতিক সৌন্দৰ্য তথা নিজানতা আদিৰ বাবে সুদূৰ অতীতৰ পৰা বিভিন্ন নৃগোষ্ঠীৰ লোক স্বাভাৱিক প্ৰব্ৰজনকাৰী হিচাপে , আক্ৰমণকাৰী হিচাপে, ব্যৱসায় বাণিজ্য কৰিবলৈ আৰু তীৰ্থ ভ্ৰমণ, আধ্যাত্মিক সাধনা আদি বিভিন্ন উদ্দেশ্যত অসমলৈ আহিছিল আৰু অসমত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। এইবোৰৰ ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনৰ তুলনাত অসমত

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সাংস্কৃতিক বিবিধতা ,সংমিশ্রণ আৰু বিৱর্তন অধিক হৈছে |ইয়াৰ লগতে উল্লেখ কৰিব পাৰি ভাৰতত বাস কৰা প্রধান নৃ-গোষ্ঠী (দ্রাবিড়, নিগ্রো, অষ্ট্রিক আৰু মংগোলীয় আদি) কেইটাৰ অসমতো উপস্থিতি দেখা যায় আৰু সামগ্রিক ভাৱে ভাৰতত সংঘটিত হোৱা নৃতাত্বিক আৰু সাংস্কৃতিক সংমিশ্রণৰ প্রক্রিয়াটো অসমতো ঘটিছিল। ফলস্বৰূপে অসমত আর্য অনার্য সকলোৰে সমন্বিত অৱদানেৰে এক সংমিশ্রিত সংস্কৃতিৰ উৎপত্তি হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। অসমৰ চিত্ৰ কলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমত সপ্তদশ শতিকাৰ পৰা উত্তৰ ভাৰতৰ ক্ষুদ্রাকৃতিৰ পুথি চিত্র সমূহৰ আৰ্হিত ৰজাঘৰীয়া আৰু সত্রীয়া সৃষ্টিৰে চিত্রকলাৰ পৰম্পৰা আৰম্ভ হয়। সেই সময়ৰ কেইখনমান সচিত্র পুথি হৈছে- আনন্দলহৰী, হস্তীবিদ্যাবর্ণ, চিত্র ভাগৱত,গীত গোবিন্দ, কুমাৰ হৰণ, শংখচূড় বধ, লৱ কুশৰ যুদ্ধ আদি সাঁচিপাতৰ পুথি।

উক্ত পুথিসমূহত স্থানীয়ভাৱে আহৰণ কৰা সামগ্রীৰ পৰা প্রাকৃতিক ৰঙেৰে বহুবৰণীয়া চিত্র অঁকা হৈছিল। প্রথমে চিত্রৰ পটভূমিত এটা নির্দিষ্ট ৰঙ বুলাই লোৱা হয়। তাৰ ওপৰত চিত্রসমূহ অঁকা হৈছিল।

চিত্রসমূহত ৰজা, ৰাজদৰবাৰ, দেৱীমূৰ্তি, যুদ্ধৰ চিত্র, হাতী, জীৱজন্তু আদি সংশ্লিষ্ট পুথিৰ বিষয় বস্তুৰ লগত সংগতি ৰাখি অঁকা হৈছিল। খালী ঠাইবোৰবোৰত ফুল, লতা আদি আঁকি দিয়া হৈছিল

চিত্রসমূহত সাধাৰণতে ৰঙা, সেউজীয়া, হালধীয়া আৰু কলা ৰঙৰ প্রয়োভৰ দেখা যায়। সন্মুখ আৰু পার্শ্ব দুয়োধৰণৰ চিত্র অংকন কৰা দেখা যায়।

মানুহ, জীৱ-জন্তু ছৱিবোৰত মুখাৱয়ৱ নিখুত প্রকাশ, শৰীৰৰ অনুপাত,মনৰ অনুভূতি প্রকাশক সূক্ষ্ম কৌশল প্রয়োগ কৰা দেখা যায়। এক কথাত কবলৈ গলে চিত্রবোৰ আছিল সহজ-সৰল আৰু দৃষ্টিনন্দন।

৮। অসমৰ ধৰ্মীয় বিবিধতা আৰু সংহতিৰ বিষয়ে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমত সকলো ধৰণৰ ধর্মাৱলম্বী লোকে অতীজৰে পৰা মিলাপ্রীতিৰে বাস কৰি আহিছে। অসমৰ অধিকাংশ লোক হিন্দু। ইয়াৰ পিছতে আছে- ইছলাম, খ্রীষ্টান, জৈন, বৌদ্ধ, শিখ আৰু জনজাতীয় ধর্মপন্থাৱলম্বী লোক।

হিন্দু ধর্মৰ ভিতৰত শাক্ত, শৈৱ, বৈষ্ণৱ, সৌৰপন্থী লোক দেখা যায়। অসমৰ বিভিন্ন ঠাইত শক্তিপীঠ আছে, এইবোৰৰ ভিতৰত কামাখ্যা মন্দিৰ পৃথিৱী বিখ্যাত। নৱ বৈষ্ণৱ আন্দোলনে অসমৰ বৃহৎ সংখ্যক লোকক বৈষ্ণৱী ভক্তিমার্গত অনুগামী কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ প্ৰথমভাগত অসমত ইছলাম ধৰ্মৰ আগমন ঘটাৰ তথ্য পোৱা যায় । হাজোৰ পোৱা মক্কা অসমৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঠাই । স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত অসমলৈ অহা চুফী সাধক আজানপীৰ নামে খ্যাত চাহ মিলনে ৰচনা কৰা জিকিৰ আৰু জাৰি সমূহ অসমত প্ৰচলিত এবিধ জনপ্ৰিয় ধৰ্মীয় সংগীত।

মানৰ আক্ৰমণৰ সময়ত ৰজা চন্দ্ৰকান্ত সিংহক সহায় কৰিবলৈ পঞ্জাৱৰ ৰঞ্জিত সিংহৰ নিৰ্দেশ ক্ৰমে অসমলৈ অহা শিখ সৈন্যদল এটিৰ কিছু লোক অসমত নিগাজিকৈ থাকি গৈছিল।


তেওঁলোকৰ বংশধৰ সকল এতিয়া শিখ ধর্ম বর্তাই ৰাখিও অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰি জাতীয় জীৱনৰ অংগীভূত হৈ পৰিছে।

অসমৰ পূৱ অংশত বাস কৰা টাইফাকে, তুৰুং, আইতন, খামটি, খাময়াং, শ্যামসকল বৌদ্ধ ধর্মাৱলম্বী। মধ্যযুগত আহোম স্বর্গদেউসকলে উদাৰ ধর্মনীতি গ্ৰহণ কৰিছিল আৰু বিভিন্ন ধর্মাৱলম্বী লোকক উপাসনা স্থলী আদি নির্মাণ কৰাই দান-দক্ষিণাও প্রদান কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যকেইখনৰ তুলনাত অসমত সাংস্কৃতিক বিবিধতা, সংমিশ্রণ আৰু বিৱর্তন কিয় অধিকতৰ হৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ব্ৰহ্মপুত্ৰ উপত্যকা এক সাৰুৱা কৃষিভূমি আৰু প্ৰকৃতিক সম্পদত চহকী অঞ্চল। চীন দেশৰ পৰা ৰোমান সাম্ৰাজ্যলৈ যোৱা মহাৰেচমী পথৰ এটা শাখা অসম হৈ আগবাঢ়িছিল। তদুপৰি অসমৰ প্ৰাকৃতিক সৌন্দৰ্য তথা নিজানতা আদিৰ বাবে সুদূৰ অতীতৰ পৰা বিভিন্ন নৃগোষ্ঠীৰ লোক স্বাভাৱিক প্ৰব্ৰজনকাৰী হিচাপে, আক্ৰমণকাৰী হিচাপে, ব্যৱসায়-বাণিজ্য কৰিবলৈ আৰু তীৰ্থ ভ্ৰমণ, আধ্যাত্মিক সাধনা আদি বিভিন্ন উদ্দেশ্যত অসমলৈ আহিছিল আৰু অসমত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। এইবোৰৰ ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনৰ তুলনাত অসমত সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিৱৰ্তন অধিক হৈছে।

১০।

'লোক সংস্কৃতি অধ্যয়নৰ বাবে দৰাচলতে সমগ্ৰ সমাজখনেই এখন কিতাপৰ দৰে'- এই প্ৰসংগত তোমাৰ মন্তব্য আগবঢ়োৱা।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- এটা জাতি বা সমাজ এখনৰ স্বাভাৱিক ৰূপ ৰং, সুখ–দুখ ,শ্রম বিনোদন আদি লোক সংস্কৃতিৰ জৰিয়তে প্রতিফলিত হয়। সমাজ এখনৰ সদস্যসকলে সমাজখনৰ লোক সংস্কৃতিৰ কথাবোৰ কোনো প্রশিক্ষণ নোহোৱাকৈ দেখি শুনি পৰম্পৰাগতভাৱে পুৰুষানুক্রমে আহৰণ কৰে কিন্তু সেইবোৰৰ সৈতে অপৰিচিত লোক এজনে লোক সংস্কৃতি বিষয়ক প্রতিটো কথাই সুক্ষ্মভাৱে পর্যবেক্ষণ কৰিলেহে বুজি পাব। উদাহৰণস্বৰূপে আমাৰ অসমৰ কথাকে উল্লেখ কৰিব পাৰি। অসমৰ ভিন ভিন অঞ্চল, সম্প্রদায়, জাতি জনজাতিৰ মাজত প্রচলিত কথিত ভাষা, লোকসাহিত্য,

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গীত-মাত-নৃত্য-বাদ্য, পোছাক পৰিচ্ছদ, আ-অলংকাৰ, খোৱা বোৱা,গৃহ নির্মাণ, কৃষি, পশুপালন, মাছধৰা, বিভিন্ন উৎসৱ, বাঁহ বেত আদিৰ ব্যৱহাৰ, পাৰিবাৰিক আৰু সামাজিক সম্পর্ক, ৰীতি নীতি আদি বিষয়ক অনেক দিশত লোক সংস্কৃতিৰ স্বৰূপ প্রকাশ পায়। গতিকে দৈনন্দিন জীৱনত সর্বসাধাৰণ লোকে প্রতিটো মূহূর্ততে কৰি থকা কাম আৰু আচৰণবোৰ যোগেদি লোকসংস্কৃতি প্রতিফলিত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমুটোকা লিখা —

১। প্ৰাচীন ভাৰতৰ ভাস্কৰ্য শিল্প।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অতি প্ৰাচীন কালতেই ভাৰতৰ ভাস্কৰ্য শিল্পৰ বিকাশ সাধন হৈছিল। সিন্ধু সভ্যতাৰ সময়ৰ পৰাই ভাৰতৰ ভাস্কৰ্য শিল্পৰ নিদৰ্শন পোৱা যায়। পৰবৰ্তী সময়ত পোৱা মাটি, শিল , ব্ৰঞ্জ, তাম ৰূপ, সোণ আদিৰে মূৰ্তি নিৰ্মাণ কৰা শৈলীত ভাৰতীয়সকলে নিজে বিকশিত কৰা স্থানীয় কলা কৌশলৰ লগতে বিভিন্ন সময়ত বিদেশী বৈশিষ্ট্যৰো সংযোজন ঘটোৱা হৈছিল। এই মূৰ্তি সমূহৰ মাজত একেবাৰে সহজ সৰল, পোন, অসমানুপাতিক মূৰ্তিৰ পৰা আৰম্ভ কৰি দ্বিভংগ, ত্ৰিভংগ আৰু চতুৰ্ভংগ আৰ্হিৰ,সমানুপাতিক, পোছাক অলংকাৰেৰে নিখুত অলংকৰণৰে সজ্জিত মূৰ্তি দেখা যায়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মনৰ শান্তি, সুখ, ক্রোধ আদি অনুভূতি প্রকাশ কৰিব পৰাকৈ মুখাবয়বত তথা অংগ-প্রত্যংগত সূক্ষ্ম কলা কৌশল প্রয়োগ আদিৰে নির্মিত অজস্র মূর্তি ভাৰতৰ বিভিন্ন প্রান্তত দেখিবলৈ পোৱা যায়।

গৌতম বুদ্ধ,মহাবীৰ, হিন্দু দেৱ-দেৱী, যক্ষ-যক্ষিণী, অপেশ্বৰী, হিন্দু তথা বৌদ্ধ ধর্মৰ লগত জড়িত বিভিন্ন জীৱ-জন্তুৰ মূর্তি এই ভাস্কর্য সমূহত দেখিবলৈ পোৱা যায়। অশোকৰ স্তম্ভসমূহৰ শীর্ষত থকা জন্তুৰ মূর্তিসমূহ গৌতম বুদ্ধৰ জীৱনৰ বিভিন্ন ঘটনাৰ লগত জড়িত আৰু সামগ্রিকভাৱে ভাৰতীয় সংস্কৃতিতো এই জন্তুকেইটাৰ বিশেষ গুৰুত্ব আছে। দেশী বিদেশী বহুতো ৰাজবংশই নির্মাণৰ এই কলাটোক পৃষ্ঠপোষকতা কৰিছিল।

সামগ্রিক দিশৰ পৰা ভাৰতৰ ভাস্কর্য শিল্পক তিনিটা ভাগত ভগাব পাৰি । সেই কেইটা হৈছে- গান্ধাৰ শিল্পকলা, মথুৰা শিল্পকলা আৰু অমৰাৱতী শিল্পকলা। খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ পৰা খ্ৰীষ্টীয় সপ্তম শতিকালৈ গান্ধাৰ শিল্পকলাৰ প্ৰচলন আছিল আৰু সেইবোৰত গ্ৰীক-ৰোমান ভাস্কর্য শিল্প কলা প্ৰয়োগ কৰি বহুতো বুদ্ধ মূৰ্তি নিৰ্মাণ কৰা হৈছিল । মথুৰা শিল্পকলা আগতে স্বকীয়ভাৱে বিকাশ হৈছিল যদিও পিছলৈ এইবোৰত গান্ধাৰ শিল্পকলাৰ প্ৰভাৱ পৰিছিল। অমৰাৱতী শিল্পকলা খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পৰা প্ৰায় ছশ বছৰ জুৰি প্ৰচলিত হৈ আছিল । বিশেষকৈ সাতবাহন সম্ৰাজ্যৰ ৰজাসকলে সেই শিল্পকলাক আদৰি লৈছিল। মধ্যযুগত ভাৰতীয় ভাস্কর্য শিল্পৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। ভাৰতীয় চিত্ৰকলা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- প্ৰাচীন ভাৰতৰ চিত্ৰকলাসমূহক দুটা ভাগত ভাগ কৰিব পাৰি । বৃহদাকাৰ দেৱাল চিত্ৰ আৰু ক্ষুদ্ৰাকাৰ চিত্ৰ । বৃহদাকাৰ চিত্ৰসমূহ পাহাৰ পৰ্বতৰ শিলাখণ্ডত অংকন কৰা হৈছিল। আনহাতে ক্ষুদ্ৰাকাৰ চিত্ৰসমূহ গ্ৰন্থসমূহ অলংকৃত কৰা তথা সচিত্ৰ বিবৰণ দিবলৈ অংকন কৰা হৈছিল । দুয়োটা চিত্ৰশৈলী ভাৰতৰ বিভিন্ন স্থানত বৌদ্ধ, জৈন আৰু হিন্দু ধৰ্মৰ বিষয়বস্তুক আলম কৰি মহাৰাষ্ট্ৰৰ অজন্তা, মধ্যপ্ৰদেশৰ বাঘ, তামিলনাড়ুৰ চিত্তনাৱাচল আৰু আৰমামালাই আদিৰ গুহাৰ দেৱাল সমূহত অংকন কৰা হৈছিল । এইবোৰৰ ভিতৰত অজন্তাৰ দেৱাল চিত্ৰবোৰ পৃথিৱী বিখ্যাত।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শতিকা মানৰ পৰা অসম, ৰাজস্থান, উৰিষ্যা, মহীশূৰ, তাঞ্জোৰ আদি ঠাইত তালপাত, সাঁচিপাত, পাটকাপোৰ আদিত ক্ষুদ্রাকৃতিৰ চিত্র অকা হৈছিল মূলঃত সংশ্লিষ্ট গ্রন্থসমূহৰ সচিত্র বিৱৰণ দিয়াৰ উদ্দেশ্যে। খ্রীষ্টপূর্ব প্রথম শতিকাতে চিত্র অংকনৰ বাবে প্রয়োজনীয় ১)আকৃতি, ২)জোখমাখ, ৩) আবেগ অনুভূতি প্রকাশক কৌশল, ৪) কলাত্মক উপস্থাপন, ৫) সাদৃশ্য জ্ঞান, ৬) তুলিকা ব্যৱহাৰ নিয়মৰ চর্চা হৈছিল যাক চিত্রকলাৰ ষড়াংগ বুলিও জনা যায় । প্রথমে দেৱাল চিত্রত এইবোৰৰ প্রয়োগ হৈছিল আৰু পিছলৈ ক্ষুদ্রাকাৰ চিত্রটো এইবোৰৰ প্রয়োগ কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এলান্ধু, হালধী, সেন্দুৰ, শিলিখাৰ ৰস, কেঁচুৰ ৰস আদি প্ৰাকৃতিক সামগ্ৰীৰে ৰং তৈয়াৰ কৰা হৈছিল আৰু বৰ্ণিল চিত্ৰ অংকন কৰা হৈছিল । চুলতানী যুগত পাৰস্য দেশীয়কলা ৰীতিৰে অনুস্তপীয়াকৈ আৰম্ভ কৰা চিত্ৰশিল্পৰ চৰ্চাৰ প্ৰমাণো আজিৰ দিনত উদ্ধাৰ হৈছে । মোগলসকলৰ দিনত আকবৰ, জাহাংগীৰ আৰু ছাহজাহানৰ পৃষ্ঠপোষকতাত ক্ষুদ্ৰাকাৰ চিত্ৰশিল্পৰ বহুল চৰ্চা হৈছিল। পাদছাহনামা, জাহাংগীৰনামা, দাস্তান-ই-আমিৰ, আদি গ্ৰন্থ সচিত্ৰকৈ অঁকা হৈছিল। মোগল যুগৰ চিত্ৰসমূহ সম্ৰাটসকলৰ ছৱি, দৰবাৰ, যুদ্ধ জয়, চিকাৰ, বাগিছা, ফুল, গছ, লতিকা, জন্তু আদি বিষয়ক লৈ অঁকা হৈছিল আৰু চিত্ৰসমূহত পৰিপক্কতা দেখা গৈছিল।

ফার্ছী ৰীতিৰ চিত্রশৈলীৰে ৰামায়ন, মহাভাৰত আদি হিন্দুধর্ম গ্রন্থত চিত্র অঁকা হৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতৰ সংগীত আৰু নৃত্যকলাৰ ঐতিহ্য।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সংগীতৰ ক্ষেত্ৰত ভাৰতৰ এক সমৃদ্ধিশালী ঐতিহ্য আছে। সামবেদৰ স্তোত্ৰসমূহ যজ্ঞত দেৱতাৰ সন্তুষ্টিৰ অৰ্থে উদগাতা নামৰ পুৰোহিত সকলে গীত আকাৰে পাঠ কৰিছিল । পৰবৰ্তী সময়ত উদগাতাসকলৰ সুৰ, তালৰ পৰিবৰ্তন ঘটি বিভিন্ন শাখা প্ৰশাখাত বিভক্ত হৈ পৰে।

ভাৰতৰ ধ্ৰুপদী সংগীতৰ পৰম্পৰা গুৰু শিষ্যৰ অনুক্ৰমে বৰ্তমান সময়লৈকে সবল ৰূপত বৰ্তি আছে । মোগল সকলৰ দিনত ইয়াৰ উৎকৰ্ষ সাধন হৈছিল। সংগীতৰ লগতে বিভিন্ন প্ৰকাৰৰ বাঁহী, পেপা, চেহনাই, ঢোল, তবলা বিভিন্ন প্ৰকাৰৰ তাল, নাগাৰা, মৃদংগ, খোল, চাৰংগী, চন্তুৰ, জলতৰংগ,

নূপূৰ, চেতাৰ, চাৰিন্দা,দোতাৰা, বিভিন্ন প্ৰকাৰৰ বীণা আদি বাদ্যযন্ত্ৰ ধ্ৰুপদী সংগীত আৰু লোকসংগীতৰ লগত সংগত কৰিবলৈ উদ্ভাৱন কৰা হৈছিল আৰু বৰ্তমানেও সেইবোৰ বহুলভাৱে ব্যৱহৃত হৈ আছে।

সংগীতৰ দৰে নৃত্যৰ ক্ষেত্ৰটো ভাৰতবৰ্ষৰ সমৃদ্ধিশালী পৰম্পৰা আছে। দেশৰ চুকে কোণে থকা অজস্ৰ লোকনৃত্যৰ ওপৰিও চৰকাৰী স্বীকৃতিপ্ৰাপ্ত আঠবিধ ধ্ৰুপদী আছে। সেই আঠবিধ নৃত্য হল- কথাকলি (মালায়ালম,কেৰেলা), মোহিনী আট্টম (কেৰেলা), ভাৰতনাট্যম (তামিলনাড়ু), কুচিপুড়ী (অন্ধ্ৰপ্ৰদেশ), অডিশি (উৰিষ্যা),কথক (উত্তৰ ভাৰত), সত্ৰীয়া (অসম) আৰু মণিপুৰী (মণিপুৰ)।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। অসমৰ ভাস্কর্য শিল্প।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমৰ বিভিন্ন ঠাইত মন্দিৰৰ দেৱালত খোদিত কৰি দ্বি মাত্রিক বা পূর্ণাঙ্গ ৰূপত নির্মিত ত্রিমাত্রিক মূর্তি আৱিস্কৃত হৈছে। শিলৰ বাহিৰে হাতীৰ দাঁত, সোণ, ৰূপ, তাম্র, কাঠ আদিৰেও মূর্তি নির্মাণ কৰা হৈছিল। এই মূর্তিসমূহৰ ভিতৰত দেৱীমূর্তি, শিৱ, বিষ্ণু, গণেশ, সূর্য, মগৰ, ঘোঁৰা, হাতী, সিংহ আদি। ভাস্কর্য শিল্পৰ নিদর্শন আৱিস্কৃত হোৱা ঠাই কিছুমান হ'ল- তেজপুৰৰ দ' পর্বতীয়া, বামুণী পাহাৰ, মদন কামদেৱ, আমবাৰী, ডবকা, গোৱালপাৰাৰ পাগলাটেক, সূর্য পাহাৰ, বৰগঙ্গা, নুমলীগড়, দেওপানী, হোজাই, ডিব্রুগড়, শুক্রেশ্বৰ, মংগলদৈ আদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কলা নিপুণতাৰ দিশৰ পৰা দ'-পৰ্বতীয়া শিলৰ তোৰণৰ নিম্নাংশত থকা গংগা যমুনাৰ মূৰ্তি দুটা আকাৰত সৰু যদিও দেহাৱয়ৱ আনুপাতিক, দ্বিভংগ ভংগিমাত লয়-লাসপূৰ্ণ ৰূপত নিৰ্মাণ কৰা হৈছে। তোৰণখনত অন্য মূৰ্তি কিছুমানো খোদিত কৰা হৈছে। এই ভাস্কাৰ্য গুপ্ত যুগৰ প্ৰভাৱত খ্ৰীষ্ট্ৰীয় ষষ্ঠ শতিকাত নিৰ্মিত হৈছে বুলি ঠাৱৰ কৰা হয়। মদন কামদেৱ মন্দিৰত দেখিবলৈ পোৱা মূৰ্তিবোৰ কোনো তান্ত্ৰিক উদ্দেশ্যত নিৰ্মাণ কৰা হৈছিল বুলি কিছুমান পণ্ডিতে মত পোষণ কৰে। নৃত্যৰতা আৰু প্ৰেম প্ৰকাশক ভংগীমাৰে পুৰুষ নাৰী, বিভিন্ন জীৱ জন্তু আৰু ভৈৰৱ, সূৰ্য আৰু বিষ্ণুৰ মূৰ্তি ইয়াত দেখিবলৈ পোৱা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। অসমৰ স্থাপত্য শিল্প।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমত স্থাপত্য শিল্পৰ বৰ্তমান যিবোৰ নিদৰ্শন দেখিবলৈ পোৱা যায় সেইবোৰৰ প্ৰায় আটাইবোৰেই মধ্যযুগৰ আৰু আহোম ৰাজবংশৰ অথবা কোঁচ ৰজাসকলৰ পৃষ্ঠপোষকতাত নিৰ্মিত হৈছিল । শিৱসাগৰ জিলাত আহোম ৰাজত্ব কালৰ ৰাজকীয় অট্টালিকা তিনিটা ক্ৰমে ৰংপুৰৰ ৰংঘৰ, কাৰেঙঘৰ আৰু গড়গাঁৱৰ তলাতল ঘৰ আৰু ভালেমান মন্দিৰ এতিয়াও বৰ্তি আছে । এই সময়ত নিৰ্মিত প্ৰাচীন মন্দিৰবোৰ হল -কামাখ্যা মন্দিৰ, উগ্ৰতাৰা মন্দিৰ,উমানন্দ মন্দিৰ, নৰগ্ৰহ মন্দিৰ, শিৱদ'ল, জয়দ'ল, দেৱীদ'ল, ফাকুৱাদ'ল, নেঘেৰিটিঙৰ শিৱদ'ল, হাজোৰ হয়গ্ৰীব মাধৱ মন্দিৰ, শুক্লেশ্বৰ

মন্দিৰ দেৱালয়, দেৱগাঁও আৰু বিশ্বনাথৰ শিৱমন্দিব আদি । মন্দিৰবোৰ সাধাৰণতে নাগৰ শৈলীৰ অথবা ৱেচৰ শৈলীৰ বৈশিষ্ট্য যুক্ত । মন্দিৰবোৰত সাধাবণতে দুটা অংশ দেখা যায় গর্ভগৃহ আৰু মণ্ডপ । মন্দিৰৰ শিখৰবোৰ কিছুমান অর্ধবৃত্তাকাৰ কিছুমান কর্দৈশিৰিয়াকৈ দীঘলীয়া । শিৱসাগবৰ শিৱদ'ল, বিষ্ণুদ'লত এনে শিখৰ দেখিবলৈ পোৱা যায় । এই সময়ত স্থাপত্যবোৰ ইটাৰে সজা অথবা শিলেৰে নির্মাণ কৰা ।

তলাতল ঘৰটো নির্মাণ আৰম্ভ কৰিছিল স্বর্গদেউ ৰুদ্রসিংহই | কেইবা মহলীয়া এই প্রসাদটোৰ স্বর্গদেউ ৰাজেশ্বৰ সিংহ আকু তেওঁলোকৰ উত্তৰাধিকাৰী সকলে নির্মাণ কার্য সমাপ্ত কৰিছিল ।

ৰৰঘৰটো নির্মাণ কৰা হৈছিল দুমহলীয়াকৈ, সমুখৰ বাকৰিত বিহু উৎসৱ চাবলৈ । ৰংঘৰটোৰ ছালখন এখন খেলনাৱৰ আৰ্হিত নির্মাণ কৰা হৈছিল । আহোম ৰাজত্ব কালত ভালেমান শিলৰ দলং নির্মাণ কৰা হৈছিল। এইবোৰৰ ভিতবত নামদাঙ, দৰিকা আৰু দিনজয়ৰ শিলৰ সাঁকো এতিয়াও ব্যৱহৃত হৈ আছে। ইটা আদি গাঁঠিবলৈ অসমত নিজা পদ্ধতিৰে বৰালি মাছ, কণী, বৰা চাউল আদিৰে 'কৰাল' তৈয়াৰ কৰা হৈছিল । আহোম শাসন ব্যবস্থাত মঠ-মন্দিৰ, ৰাস্তা ঘাট, প্রাসাদ, ঘৰ-দুৱাৰ আদিৰ নির্মাণ কার্য জোখ-মাখ আদি চোৱা চিতা কবিবলৈ চাংৰুঙ ফুকন নামৰ এগৰাকী বিষয়া নিয়োগ কৰা হৈছে ।

৬। অসমৰ বৈষ্ণৱী সাহিত্য।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- শংকৰদেৱ আৰু মাধৱদেৱৰ নেতৃত্বত পঞ্চদশ শতিকাত আৰম্ভ হোৱা নৱবৈষ্ণৱ আন্দোলনে অসমীয়া সমাজ জীৱনৰ সকলো ক্ষেত্রকে গভীৰভাৱে প্রভাৱিত কৰিছিল । এই ধর্মীয় আন্দোলনৰ প্রভাৱত অসমীয়া সাহিত্যতো এক জোৱাৰৰ সৃষ্টি হয় আৰু ভালেসংখ্যক কাব্য, নাট, গীত, চৰিত, পুথি, গদ্য সাহিত্য ৰচিত হয় । সাহিত্যসমূহৰ মূল বিষয়বস্তু আছিল ৰামায়ণ, মহাভাৰত, পুৰাণ, হিন্দু ধর্মৰ তত্ত্বকথা আদি । শঙ্কৰদেৱ আৰু মাধৱদেৱে নিজেই বহু সংখ্যক সাহিত্য ৰচনা কৰিছিল। এইবোৰৰ ভিতৰত শংকৰদেৱৰ কীর্তন আৰু মাধৱদেৱৰ নামঘোষা আৰু গুৰুদুজনাৰ বৰগীতসমূহ সর্বাধিক জনপ্রিয় ।

শংকৰদেৱে ৰচনা কৰা অংকীয়া নাট পত্নীপ্রসাদ, কালিয়দমন, কেলি গোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ, ৰামবিজয়, মাধৱদেৱৰ ঝুমুৰা, চোৰধৰা আৰু পিম্পৰা গুচোৱা' আদি বিপুল জনসমাগমৰ উপস্থিতিত নামঘৰ, সত্র আদি ঠাইত প্রদর্শন কৰা হয়। শংকৰদেৱৰ প্রথম নাট 'চিহ্নযাত্রা' শ্বেক্সপিয়েৰৰ নাট্য সৃষ্টিৰো আগৰ সৃষ্টি আছিল । এই নাটত ব্যৱহৃত বৃন্দাৱনী বস্ত্র অসমৰ বয়নশিল্পীৰ চমৎকাৰ সৃষ্টি আছিল । এই বস্ত্রভাগি বর্তমান ব্রিটিছ মিউজিয়ামৰ উপৰি আন কেইবাটাও বিখ্যাত সংগ্রহালয়ত সংৰক্ষিত হৈ আছে। শংকৰদেৱ মাধৱদেৱৰ পিছত ভট্টদেৱ, অনন্ত কন্দলি, ৰাম-সৰস্বতী আদি সাহিত্যিকে এই সাহিত্য চর্চা অব্যাহত ৰাখে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইয়াৰ ভিতৰত ভট্টদেৱে কথাগীতা, ভাগৱত কথা আৰু ৰত্নাৱলী কথা ৰচনা কৰি অসমীয়া সাহিত্যত গদ্য সাহিত্য সূচনা কৰে । শংকৰী সাহিত্যৰ প্ৰভাৱৰ বাহিৰত থাকি পীতাম্বৰ কবি, দুৰ্গাবৰ কায়স্থ, সুকবি নাৰায়ণদেৱ, মনকৰ আদিয়ে দেৱী, মনসা, পদ্মা, সতী বেউলা আদি কাহিনী ভিত্তিক গীতি কাব্য ৰচনা কৰিছিল । ষোড়শ শতিকাত জন্ম গ্ৰহণ কৰা গোবিন্দ মিশ্ৰৰ পদ্য গীতাখন আজিও এখন বহুলভাৱে ব্যৱহৃত জনপ্ৰিয় ধৰ্মগ্ৰন্থ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। অসমৰ লোক সংগীত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- অসমত ভিন ভিন পৰিৱেশ তথা ভিন ভিন প্রয়োজনত গোৱা বিভিন্ন ধৰণৰ লোক সংগীতৰ প্রচলন আছে। কিছুমান লোক সংগীত প্রায় বিলুপ্তিৰ দিশে আগবাঢ়িছে, আন কিছুমান এতিয়াও প্রৱলভাৱে প্রবাহিত হৈ আছে। কেঁচুৱা টোপনি নিওঁৱা নিচুকনি গীত, বিয়ানাম, আইনাম, ধাইনাম কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, টোকাৰি গীত, দৰঙৰ চিয়াগীত, নাঙেলী নামৰ গৰখীয়া গীত আৰু চেৰা ঢেক আদি অসমত প্রচলিত কিছুমান লোকগীতৰ উদাহৰণ। এইবোৰৰ ভিতৰত বিয়া-নাম, কামৰূপী লোকগীত, আৰু গোৱালপৰীয়া লোকগীতৰ বিশেষ জনপ্রিয়তা আছে।

বিয়ানামবোৰ দৰা-কইনা নোৱাবৰ বাবে, দৰা আদৰাৰ বাবে, দৰাঘৰীয়া আৰু কইনাঘৰীয়াই পৰস্পৰে জোকাবলৈ আৰু কইনা বিদায়ৰ সময়ত বেলেগ বেলেগ ধৰণৰ গীতৰ কথা আৰু পৃথক সুৰেৰে গোৱা হয়। কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত আৰু টোকাৰি গীতসমূহ ঘাইকৈ জীৱনৰ সুখ-দুখ, দেহৰ ক্ষণভংগুৰতা, জীৱনত ঈশ্বৰ চিন্তাৰ গুৰুত্ব, দেৱ-দেৱীৰ প্ৰশস্তি আদি প্ৰকাশমূলক গীত। এইবোৰৰ উপৰি গোৱালপৰীয়া লোকগীত স্থানীয় কিংবদন্তি তথা হাতীধৰা আৰু পোহ মনোৱা বিষয়ক লৈয়ে ৰচিত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

লোকগীতৰ বিভিন্ন শাখাত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে সংগীত নাটক অকাদেমিৰ দ্বাৰা বঁটা প্রদানেৰে সন্মানিত হোৱা কেইগৰাকীমান বিশেষ খ্যাতিমান শিল্পী হৈছে- প্রয়াত খগেন মহন্ত, ৰামেশ্বৰ পাঠক আৰু প্রতিমা পাণ্ডে বৰুৱা। এওঁলোকৰ ভিতৰত প্রতিমা পাণ্ডে বৰুৱা পদ্মশ্রী উপাধিৰে সন্মানিত হৈছিল।



৮। অসমৰ ধর্মীয় সংহতি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমত সকলো ধৰণৰ ধর্মাৱলম্বী লোকে অতীজৰে পৰা মিলাপ্রীতিৰে বাস কৰি আহিছে। অসমৰ অধিকাংশ লোক হিন্দু। ইয়াৰ পিছতে আছে- ইছলাম, খ্রীষ্টান, জৈন, বৌদ্ধ, শিখ আৰু জনজাতীয় ধর্মপন্থাৱলম্বী লোক।

হিন্দু ধর্মৰ ভিতৰত শাক্ত, শৈৱ, বৈষ্ণৱ, সৌৰপন্থী লোক দেখা যায়। অসমৰ বিভিন্ন ঠাইত শক্তিপীঠ আছে, এইবোৰৰ ভিতৰত কামাখ্যা মন্দিৰ পৃথিৱী বিখ্যাত। নৱ বৈষ্ণৱ আন্দোলনে অসমৰ বৃহৎ সংখ্যক লোকক বৈষ্ণৱী ভক্তিমার্গত অনুগামী কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ প্ৰথমভাগত অসমত ইছলাম ধৰ্মৰ আগমন ঘটাৰ তথ্য পোৱা যায়। হাজোৰ পোৱা মক্কা অসমৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঠাই। স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত অসমলৈ অহা চুফী সাধক আজানপীৰ নামে খ্যাত চাহ মিলনে ৰচনা কৰা জিকিৰ আৰু জাৰি সমূহ অসমত প্ৰচলিত এবিধ জনপ্ৰিয় ধৰ্মীয় সংগীত।

মানৰ আক্ৰমণৰ সময়ত ৰজা চন্দ্ৰকান্ত সিংহক সহায় কৰিবলৈ পঞ্জাৱৰ ৰঞ্জিত সিংহৰ নিৰ্দেশ ক্ৰমে অসমলৈ অহা শিখ সৈন্যদল এটিৰ কিছু লোক অসমত নিগাজিকৈ থাকি গৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তেওঁলোকৰ বংশধৰসকল এতিয়া শিখ ধর্ম বর্তাই ৰাখিও অসমীয়া ভাষা সংস্কৃতি গ্রহণ কৰি জাতীয় জীৱনৰ অংগীভূত হৈ পৰিছে।

অসমৰ পূৰ অংশত বাস কৰা টাইফাকে, তুৰুং, আইতন, খামটি, খাময়াং, শ্যামসকল বৌদ্ধ ধর্মাৱলম্বী। মধ্যযুগত আহোম স্বর্গদেউসকলে উদাৰ ধর্মনীতি গ্রহণ কৰিছিল আৰু বিভিন্ন ধর্মাৱলম্বী লোকক উপাসনা স্থলী আদি নির্মাণ কৰাই দান-দক্ষিণাও প্রদান কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। অসমৰ বুৰঞ্জী সাহিত্য।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মধ্যযুগত আহোম ৰজা, ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী সাহিত্যসমূহ অসমৰ সাহিত্য ভাণ্ডাৰৰ অমূল্য সম্পদ। ৰাজকীয় ঘটনাৱলী সন্নিবিষ্ট এই ৰচনা সমূহ প্ৰথম অৱস্থাত আহোম সকলৰ নিজা ভাষাতে ৰচিত হৈছিল। ষোড়শ শতিকাৰ পৰা অসমীয়া ভাষাতো লিখিবলৈ লোৱা হয়। ব্ৰিটিছ শাসন কালত এনে বহুতো বুৰঞ্জী উদ্ধাৰ, সংৰক্ষণ আৰু ছপা কৰি প্ৰকাশ কৰিবলৈ লোৱা হয়। এনে কেতবোৰ বুৰঞ্জী হৈছে- দেওধাই বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, পদ্য বুৰঞ্জী আৰু পাদশ্যাহ বুৰঞ্জী আদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। বিহু উৎসৱ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- বিহু অসমৰ এক অতি আদৰৰ উৎসৱ । বহাগ মাহ, কাতিমাহ আৰু মাঘমাহত ক্ৰমে ৰঙালী বিহু, কঙালী বিহু আৰু ভোগালী বিহু নামেৰে বছৰৰ তিনিটা সময়ত পৃথক নীতি নিয়মেৰে বিহু উৎসৱ পালন কৰা হয়।

ৰঙালী বিহু চ'ত মাহৰ শেষ দিনটোৰ পৰা আৰম্ভ কৰি বহাগৰ প্ৰথম ছদিনলৈ পালন কৰা হয় । চ'ত মাহৰ শেষৰ দিনটোক সংক্ৰান্তি বা দোমাহী বুলি কোৱা হয়। সেই দিনটো গৰু বিহু হিচাপে পালন কৰা হয়। কৃষিজীৱী অসমীয়া সমাজত হালবোৱাকে আদি কৰি বিভিন্ন ক্ষেত্ৰত গৰুৰ ব্যৱহাৰ হয়। বিভিন্ন ৰীতি নীতিৰে সেইদিনাখন ঘৰৰ গাই গৰুৰ প্ৰতি মৰম, শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰা হয়।

উদাহৰণস্বৰূপে সেইদিনা ৰাতিপুৱাই খাল দোং, নদী আদিলৈ গৰু-গাইবোৰ নি তেল হালধি সানি গা-ধুউৱা হয়, নতুন পঘা দিয়া হয়; গোহালি ঘৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ধুপ-ধুনা, জাগ আদি দিয়া হয়। বহাগৰ প্ৰথম দিনটোক মানুহ বিহু বুলি কোৱা হয়; সেইদিনা সকলোৱে নতুন কাপোৰ পৰিধান কৰে। পিতৃ-মাতৃ আৰু পৰিয়ালৰ বয়োজেষ্ঠ সকলব চৰণ চুই কনিষ্ঠ সকলে শ্ৰদ্ধা নিবেদন কৰে। ৰাজহুৱা স্থানত খেল-ধেমালি, গীত-মাতৰ আয়োজন কৰা হয়। এই কেইদিনৰ ভিতৰতে বয়স্থ লোকৰ হুঁচৰি দল সমূহে মানুহৰ ঘৰে ঘৰে গৈ হুঁচৰি নৃত্য-গীত আদি কৰি গৃহস্থক আশীৰ্বাদ দিয়ে।

উজনি অসমৰ মহিলাসকলে নির্জন স্থানত পুৰষ মানুহে নেদেখাকৈ জেং বিহু পাতে। পথাৰৰ মাজৰ গছৰ তলত ডেকা-গাভৰুৱে প্রেম আৰু যৌৱনৰ অনুভূতি প্রকাশক গীত আৰু নৃত্যৰে মুকলি বিহুত ভাগ লয় । জনজাতিৰ লোকসকলে নিজা ৰীতিনীতি, গীত-মাত, বেশ-ভূষাৰে ভিন ভিন নামেৰে বিহু উৎসৱৰ আয়োজন কৰে। বড়ো, ৰাভা, কার্বি, মিচিং, দেউৰী, তিৱা আদি লোকসকলে নিজা গীত-মাত, সাজ-পোছাক আৰু পৰম্পৰাৰে বিহু উৎসৱ পালন কৰে। এই সকলো বাবেৰহণীয়া কৃষ্টিৰে বিশাল অসমীয়া সংস্কৃতি গঢ় লৈছে। ৰঙালী বিহুৰ সাতদিনক ক্রমে গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, কুটুম বিহু,

চেনেহী বিহু, মেলা বিহু আৰু চেৰা বিহু বুলি কোৱা হয়। ঠাই ভেদে এই নামবোৰৰ তাৰতম্য হোৱা দেখা যায়। বহাগ বিহুৰ সমধর্মী হিচাপে উদযাপন কৰা দৰং জিলাৰ দেউল, পুৰণি কামৰূপৰ ভঠেলি, স'ৰি বা সুৰেঁৰি, দহৰ ফুৰোৱা, বাৰ গোপাল উলিওৱা আৰু পুৰণি গোৱালপাৰা জিলাৰ বাঁসপূজা আদি উল্লেখনীয়।

আহিন মাহৰ শেষৰ দিনটোত কাতি বিহু পালন কৰা হয়। এই বিহু আধ্যাত্মিক পবিত্রতাৰে বিভিন্ন ৰীতি নীতিৰে পালন কৰা হয়। দিনটো ব্রত উপবাস আদিৰে পাৰ কৰি সন্ধিয়া তুলসী তলত আৰু পথাৰত চাকি বত্তি জ্বলোৱা হয়। বড়োসকলে পবিত্র ভাৱেৰে সিজু গছৰ তলত চাকি জ্বলায়।

কোনো কোনোৱে মাহ জুৰি আকাশ বন্তি জ্বলায়। এই ৰীতি নীতিবোৰৰ সৈতে কিছুমান ধর্মীয় বিশ্বাস জড়িত হৈ আছে।

মাঘবিহু বা ভোগালী বিহু পুহ মাহৰ শেষদিনা উদযাপন কৰা হয়। তাৰ আগৰ দিনটোক উৰুকা বুলি কোৱা হয়। গ্রামাঞ্চলৰ ডেকাল'ৰাহতে বা ৰাইজে দল বান্ধি পথাৰত খেৰ, নৰা আদিৰে ভেলাঘৰ সাজে আৰু ভেলাঘৰৰ কাষতে ওখকৈ কেঁচা্বাহ, খৰি, নৰা, খেৰ আদিৰে মেজি সাজে। ৰাজহুৱা ভোজত অংশগ্রহণ নকৰা সকলে ঘৰুৱাকৈ ভোজৰ আয়োজন কৰে। সেই দিনাখন ৰাতি চুঙাপিঠা, তিলপিঠা, লাৰু আদি বিভিন্ন খাদ্য সামগ্রী তৈয়াৰ কৰা হয়।

বিহুৰ দিনা ৰাতি পুৱাই গা-ধুই ৰাইজে মেজিত জুই দিয়ে আৰু জুইৰ তাপ গাত লয়। মেজিৰ জুইত পিঠা লাৰু আদি দি অগ্নি দেৱতাক শ্ৰদ্ধা নিবেদন কৰা হয়। আলহীক দৈ, সান্দহ, চিৰা, পিঠা, জলপান আদিৰে আপ্যায়িত কৰা হয়। এই সময়ছোৱাত খাদ্য সামগ্ৰী উভেনদী হয় আৰু খোৱা-বোৱাৰ প্ৰাধান্য থকা বাবে মাঘ বিহুক 'ভোগালী বিহু' বুলি কোৱা হয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অসমৰ ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহুৰ লেখীয়াকৈ ভিন ভিন নামেৰে ভিন ভিন ৰীতি নীতিৰে উৎসৱ পালন কৰা দেখা যায়।